**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-07-2025 **Time :** 0900 Hrs.

# Assamese Morning Bulletin
## Headlines

১। পাইকান সংৰক্ষিত বনাঞ্চলৰ হিংসাত্মক ঘটনাৰ তদন্ত কৰা হ'ব বুলি বনমন্ত্ৰীৰ ঘোষণা। ঘটনাত তৃতীয় শক্তি জড়িত থকাৰ আশংকা প্ৰকাশ।

২। উচ্চতৰ কাৰিকৰী শিক্ষা বিভাগত আজি ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি।

৩। জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ ৰাজ্যত ২৭ জনৰ মৃত্যু।

৪। চলিত বৰ্ষৰ প্ৰথম পাঁচ মাহত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ তথ্য ভাণ্ডাৰৰ পৰা ৩০ হাজাৰৰো অধিক হিতাধিকাৰীৰ নাম কৰ্তন

*আৰু*

৫। অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ ছিংগলছৰ ১২ আৰু ১৪ বছৰ অনুৰ্ধ শাখাত অসমৰ কৃষ্টি হালৈৰ ফাইনেলত প্ৰৱেশ।

০০০০০০০০

গোৱালপাৰা জিলাৰ কৃষ্ণাই থানাৰ অন্তৰ্গত বেতবাৰীত আৰক্ষী, বনৰক্ষী আৰু পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত লোকৰ মাজত লগা সংঘৰ্ষত কালি এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৪জন লোক আহত হয়। জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে পাইকানৰ উচ্ছেদিত এলেকালৈ যোৱা এটা পথ বন বিভাগৰ লোকে আৰক্ষীৰ সহযোগত খান্দি দিয়াৰ সময়তে উচ্ছেদিত লোকসকলে বাধা দিয়াৰ লগতে শিলগুটি, লাঠি আদিৰে আক্ৰমণ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ আৰু আত্মৰক্ষাৰ বাবে আৰক্ষী আৰু বনৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত দুজন লোক আহত হয়। আহত ছাকুৱাৰ হুছেইন নামৰ যুৱকজনক গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত আন এজন যুৱকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ইপিনে, এই ঘটনাত উত্তেজিত হৈ পৰা ৰাইজৰ আক্ৰমণত ১৪জন আৰক্ষীৰ লোক আৰু ৯জন বনৰক্ষী আহত হয়। আহতসকলৰ কেইবাগৰাকীও গোৱালপাৰাৰ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ঘটনাৰ কিছু সময় পাছতে উত্তেজিত ৰাইজে আশুডুবি মধ্য ইংৰাজী বিদ্যালয়ত অগ্নিসংযোগ কৰে যদিও অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপন কৰে। এই ঘটনাত জড়িত চাৰিজন লোকক আটক কৰা হৈছে। ঘটনাস্থলীত জিলাখনৰ আয়ুক্ত প্ৰদীপ টিমুং, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিঙৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদিত এলেকাত সাধাৰণ লোকৰ প্ৰবেশ নিষিদ্ধ কৰা হৈছে। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে পাইকানৰ উচ্ছেদিত এলেকা পৰিদৰ্শন কৰি ৰাজ্য চৰকাৰে কালি সংঘটিত হিংসাত্মক ঘটনাৰ তদন্ত কৰিব বুলি প্ৰকাশ কৰে।

*(বাইট ঃ পাটোৱাৰী)*

ইপিনে, অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ সিঙে পাইকানত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে তৃতীয় শক্তি জড়িত থকা বুলি দাবী কৰি কৰিছে। কালি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰি শ্ৰী সিঙে সংবাদ মাধ্যমৰ আগত কয়, যে সমগ্ৰ ঘটনাটোত অশুভ শক্তি সোমাই আছে আৰু কাৰোবাৰ উচটনিতহে এই ঘটনা সংঘটিত হৈছে। আৰক্ষীক আক্ৰমণ কৰা ঘটনা কেতিয়াও সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি তেওঁ কয়, যে ইতিমধ্যে কেইবাজনকো চিনাক্ত কৰি আটক কৰা হৈছে আৰু ভিডিঅ' ফুটেজ চাই আন সকলকো চিনাক্ত কৰা হ'ব। ঘটনা সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা চাৰিজনৰ তিনিজনে উচ্ছেদিত এলেকাৰ নহয় বুলিও তেওঁ মন্তব্য কৰে।

oooooooo

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰ বিঘাৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰৱেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

oooooooo

ৰাজ্য চৰকাৰে স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি উচ্চতৰ কাৰিকৰী শিক্ষা বিভাগত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। ইয়াৰ ভিতৰত কাৰিকৰী প্ৰতিষ্ঠানৰ প্ৰৱক্তা পদত ২৩৬ গৰাকী, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰশিক্ষক পদত ৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। ইয়াৰ লগে লগে ৰাজ্যত সৰ্বমুঠ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ২১ হাজাৰ ১৮২ লৈ বৃদ্ধি পাব।

ইপিনে, ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে। এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ'ব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে ১৯৮২ চনৰ পৰাই খোৱাং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰলৈ অৰিহণা আগবঢ়াই অহা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিমূলক আৰু শৈক্ষিক পৰিস্থিতিৰ বুজ লোৱাৰ উপৰি শিক্ষাৰ্থীসকলৰ সৈতেও মত বিনিময় কৰে।

oooooooo

এইবাৰ বাৰিষা কালত উত্তৰ-পূৰ্বাঞ্চলৰ ২১ খন জিলা বৰষুণৰ ব্যাপক ঘাটি থকা জিলাৰূপে পৰিগণিত হৈছে। ইয়াৰে ভিতৰত অসমৰ ১৩ খন জিলা আছে। বতৰ বিজ্ঞান বিভাগে কোনো জিলাত স্বাভাৱিকতকৈ ৬০ পৰা ৯৯ শতাংশ কম বৰষুণ হ'লে ব্যাপক ঘাটি হোৱা জিলা বুলি গণ্য কৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পহিলা জুনৰ পৰা ১৭ জুলাই সময়ছোৱাৰ বাবে জাৰি কৰা পৰিসংখ্যা অনুসৰি অসমৰ ১৩ খন জিলা বৰষুণৰ ব্যাপক ঘাটি হোৱা জিলাৰূপে পৰিগণিত হৈছে। ৰাজ্যৰ অন্য ১২ খন জিলাত স্বাভাৱিকতকৈ কম বৰষুণ হৈছে। অসমত এইবেলি বাৰিষা কালত ১৬ জুলাই পৰ্যন্ত স্বাভাৱিকতকৈ ৪০ শতাংশ কম বৰষুণ হৈছে। ৰাজ্যত এই সময়ছোৱাত সাধাৰণতে ৬৫৩ দশমিক ৩ মিলিমিটাৰ বৰষুণ হয় যদিও এইবাৰ

৩৯৪ দশমিক ৯ মিলিমিটাৰ বৰষুণ হৈছে। ৰাজ্যৰ জনসাধাৰণ বিশেষকৈ খেতিয়কসকল বৰষুণৰ অভাৱত অসুবিধাৰ সন্মুখীন হৈছে। খেতিয়কসকলে বৰষুণৰ অভাৱত সময়মতে ধান ৰুব পৰা নাই।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত কৃষি বিভাগৰ লগতে আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ শীৰ্ষ বিষয়া আৰু কেইবাগৰাকীও বিজ্ঞানীৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ বৰষুণৰ পৰিমাণ তুলনামূলকভাৱে কম হোৱা জিলাসমূহৰ খতিয়ান লয়। তেওঁ লগতে প্ৰভাৱিত কৃষি খণ্ড, মুঠ গাঁও আৰু কৃষক পৰিয়ালৰ সংখ্যাৰ বিষয়েও বুজ লয়। বৈঠকত ড০ শৰ্মাই খেতিয়কসকলৰ সহায়ৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণ বৃদ্ধি পাইছে। দৰং জিলাত কালি এই ৰোগত আক্ৰান্ত হৈ এজন লোকৰ মৃত্যু হোৱাৰ ফলত ৰাজ্যখনত চলিত বছৰত এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি হৈছে। নামনি অসমৰ চিৰাং, নলবাৰী, দৰঙৰ লগতে উজনি অসমৰ গোলাঘাট, ধেমাজি, শিৱসাগৰ আৰু শোণিতপুৰত জাপানীজ এনকেফেলাইটিছ ৰোগত বহুলোক আক্ৰান্ত হৈছে। একেদৰে পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাতো কেইবাগৰাকীও লোক এই ৰোগত আক্ৰান্ত হৈছে। ৰাজ্যত এতিয়ালৈ আঢ়ৈশৰো অধিক লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

দৰং জিলাত পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ টেঙেৰা গাঁৱত এজন লোকৰ কালি এই ৰোগত মৃত্যু হয়। গুৰুতৰ লক্ষণযুক্ত এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৱা সপ্তাহত জিলাখনত আন এজন লোকৰ মৃত্যু হৈছিল। বিভাগীয় সূত্ৰ অনুসৰি কালি পৰ্যন্ত জিলাখনত জাপানীজ এনকেফেলাইটিছত ১৬ জন আৰু জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ৩২ জন লোক আক্ৰান্ত হৈছে। জিলাখনত এই ৰোগৰ সংক্ৰমণ আৰু স্বাস্থ্য বিভাগে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত এয়া মঙলদৈৰ পৰা আমাৰ সংবাদদাতা ময়ুখ গোস্বামী

বাইট

চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে।

কাৰ্বি আংলঙত এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে। হোজাই জিলাত ৩ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। আটাইকেইজন গুৱাহাটীত চিকিৎসাধীন হৈ আছে আৰু সুস্থ হৈ উঠিছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ স্বাস্থ্য বিভাগে এই ৰোগৰ উপৰি মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে।

তিনিচুকীয়া জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্যই কালি জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ আৰু গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত এখন সংবাদমেলযোগে অৱগত কৰে। তেওঁ এই ৰোগৰ পৰা হাত সৰাৰ বাবে প্ৰতিষেধক আৰু মহ নিয়ন্ত্ৰণ আটাইতকৈ শক্তিশালী ব্যৱস্থা বুলি সংবাদমেলত উল্লেখ কৰে। তদুপৰি জ্বৰ, মূৰৰ বিষ, বমি, টোপনি অহা আদি লক্ষণ দেখা দিলে ততালিকে চিকিৎসকৰ কাষ চাপিবলৈ বিষয়াগৰাকীয়ে পৰামৰ্শ দিয়ে।

০০০০০০০০

রাজ্যত চলিত বৰ্ষৰ প্ৰথম পাঁচ মাহত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ তথ্য ভাণ্ডাৰৰ পৰা সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৰেচন লাভ কৰা ৩০ হাজাৰ ৪৬৭ গৰাকী হিতাধিকাৰীৰ নাম কৰ্তন কৰা হৈছে। ইয়াৰ ফলস্বৰূপে অযোগ্য হিতাধিকাৰীৰ নাম সন্নিৱিষ্ট ১৬ হাজাৰৰো অধিক ৰেচন কাৰ্ড বাতিল কৰা হৈছে। ৰাজ্যত সম্প্ৰতি ৭০ লাখৰো অধিক ৰেচন কাৰ্ড আছে। ইয়াৰে ভিতৰত প্ৰায় সাত লাখ অন্ত্যোদয়া অন্ন যোজনাৰ হিতাধিকাৰী আৰু ৬৩ লাখৰো অধিক অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল আছে। ৰেচন কাৰ্ড কৰ্তনৰ ব্যৱস্থা এটা নিয়মীয়া প্ৰক্ৰিয়া আৰু সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে কাৰ্ডসমূহ পৰীক্ষা কৰি সময়ে সময়ে অযোগ্য হিতাধিকাৰীসকলৰ নাম বাতিল কৰে।

oooooooo

## NEWS PAPER REV./RNU

গোৱালপাৰাৰ পাইকান বনাঞ্চলৰ উচ্ছেদিত লোকৰ মাজত লগা সংঘৰ্ষত কালি এজন লোকৰ মৃত্যু হয়, ২০২৪-২৫ বৰ্ষৰ স্বচ্ছ- সৰ্বেক্ষণত গুৱাহাটী চহৰৰ উত্তৰ-পূবৰ আটাইতকৈ পৰিষ্কাৰ ৰাজধানী চহৰৰ স্বীকৃতি, কোকৰাঝাৰত সামৰিক মৰ্যাদাৰে ঝাৰখণ্ডত নক্সাল বিৰোধী অভিযানত ছহীদ প্ৰাণেশ্বৰ কোঁচৰ শেষকৃত্যৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে গোৱালপাৰাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদস্থলীত কালি আৰক্ষী আৰু বনৰক্ষীৰ সৈতে উচ্ছেদিত লোকৰ মাজত হোৱা সংঘৰ্ষত এজন লোকৰ মৃত্যুৰ বাতৰিক আৰক্ষী-উচ্ছেদিতৰ সংঘৰ্ষত ৰক্তাক্ত পাইকান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি দৈনিক অসম, আমাৰ অসম, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেলসহ আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে আৰক্ষীক আক্ৰমণকাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব বুলি আজৰাৰ মনসা দেৱীৰ মন্দিৰত মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে স্বচ্ছ সৰ্বেক্ষণত গুৱাহাটীয়ে উত্তৰ-পূবৰ আটাইতকৈ পৰিষ্কাৰ ৰাজধানী চহৰৰ স্বীকৃতি লাভ কৰা বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিয়মীয়া বাৰ্তা কাকতে কালি কেইবাগৰাকীও নেতাই বিজেপিত যোগদান কৰা বাতৰিক বিজেপিলৈ দৃষ্টি ৰাজখোৱা-মনোজ ধানোৱাৰ-মানস শৰণীয়া শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে অগপই অকল সাংগঠনিক ভেটি সবল থকা সমষ্টিতে দলীয় প্ৰাৰ্থী দিব বুলি লখিমপুৰত অতুল বৰাই কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে উৰিয়াম ঘাটৰ ৩০ খনৰো অধিক গাঁৱত অচিৰেই উচ্ছেদ অভিযান চলাবলৈ প্ৰশাসন সাজু হোৱা বুলি এটা বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে ছহীদ প্ৰাণেশ্বৰ কোঁচৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্যৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে ইৰাকৰ শ্বপিং মলত সংঘটিত অগ্নিকাণ্ডত ৬০ জনৰো অধিক লোকে প্ৰাণ হেৰুৱাৰ বাতৰি আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে অসমৰ ১৩ খন জিলাত স্বাভাৱিকতকৈ ভালেখিনি কম হোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ'বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০০

অসমৰ কৃষ্টি হালৈয়ে গুৱাহাটীত চলি থকা অইল আইটা ছুপাৰ ছিৰিজ টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ ছিংগলছৰ ১২ আৰু ১৪ বছৰ অনুৰ্ধ উভয় শাখাৰে ফাইনেলত প্ৰৱেশ কৰিছে। কৃষ্টিয়ে কালি ১৪ বছৰ অনুৰ্ধ শাখাৰ ছেমি ফাইনেলত অসমৰে সংস্কৃতি বৰাক ৬-১, ৬-৪ ছেটত পৰাস্ত কৰে।

০০০০০০০০

**সমাপ্ত**